অধ্যায় ৮ ঃ উন্নয়নমূলক সংবাদ প্রস্তুতকৰণ

অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য
৮.২ পৰিচয়
৮.৩ গ্রামোন্নয়ন (Rural Development) মানে কি?
৮.৪ কৃষিভিত্তিক সংযোগৰ প্রয়োজনীয়তা
৮.৫ উপযুক্ত প্রচাৰ মাধ্যম
৮.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৮.৭ অধিক জানিবলৈ
৮.৮ অগ্রগতিৰ খতিয়ান
৮.৯ আৰ্হি প্রশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- উন্নয়নমূলক সংবাদ প্রস্তুতকৰণৰ প্রয়োজনীয়তা ব্যাখ্যা কৰিব পাৰিব
- উন্নয়নমূলক সংবাদ প্রস্তুতকৰণৰ সাম্প্রতিক ধাৰাসমূহ আলোচনা কৰিব পাৰিব
- উন্নয়নমূলক সংযোগৰ প্রাৰম্ভিক ভাৰতীয় পৰীক্ষা-নিৰীক্ষাসমূহৰ বর্ণনা দিব পাৰিব।

৪.২ পৰিচয়

এতিয়া মানে আপোনালোক আটায়ে নিশ্চয় উন্নয়নমূলক সংযোগৰ বিভিন্ন দিশৰ সৈতে পৰিচিত হৈছে। এই অধ্যায়ত উন্নয়নৰ বিভিন্ন দিশ সম্পর্কে কেনেদৰে সংবাদ প্রস্তুত কৰা হয়, কোনবোৰ দিশৰ ওপৰত আলোকপাত কৰা হয়, এই ক্ষেত্রৰ সাম্প্রতিক ধাৰা আৰু প্রভাৰ কেনেকুৱা আদি বিষয় খৰচি মাৰি বুজোৱাৰ প্রয়াস কৰা হ'ব। ইয়াৰ ফলত এই ব্লক তথা বিভিন্ন অধ্যায়ত আলোচিত হৈ থকা কথাবোৰ ব্যৱহাৰিক ক্ষেত্রত প্রয়োগ কৰিবলৈ আপুনি প্রস্তুত হ'ব পাৰিব। বিষয়টোৰে সময় বাগৰাৰ লগে লগে গুৰুত্ব লাভ কৰিবলৈ সক্ষম হৈছে, বৃত্তিগতভাৱেও বিষয়টোৰ সৈতে জড়িত বিভিন্ন নিত্য-নতুন পথ খোল খাইছে। ফলত ক্ষেত্রখনৰ ভৰিষ্যৎ সম্ভাৱনা বহুগুণে বৃদ্ধি পাইছে।

৪.৩ উন্নয়নমূলক সংবাদ প্রস্তুতকৰণৰ প্রয়োজনীয়তা

উন্নয়নমূলক সংবাদ প্রস্তুতকৰণ নামৰ ধাৰণাটোৱে শেহতীয়াভাৱে যথেষ্ট গুৰুত্ব লাভ কৰিছে। উন্নয়নমূলক সংবাদ প্রস্তুতকৰণ মানে হ'ল উন্নয়নৰ সৈতে জড়িত বিভিন্ন বিষয় সম্পর্কীয়

বা-বাতৰি যুগুত কৰা পদ্ধতি। এতিয়া উন্নয়নমূলক সংবাদ প্রস্তুতকৰণ মানে কেৱল উন্নয়নৰ বা-বাতৰিকেই নুবুজায়, ই অনুন্নত অথবা অনগ্রসৰ অৱস্থা বিষয়ক সংবাদকো সামৰি লয়।

আপুনি নিশ্চয় ওচৰে-পাঁজৰে থকা আৰু দূৰণিবটীয়া বিভিন্ন অঞ্চলৰ সমাজবোৰৰ সর্বত্র চলি থকা বিভিন্ন উন্নয়নমূলক প্রচেষ্টা, কাম-কাজ আৰু পৰীক্ষা-নিৰীক্ষা সম্পর্কে অৱগত হৈছে। এই ধৰণৰ উন্নয়ন সম্পর্কে কেৱল সজাগ হ'লে নহ'ব। এই কাম-কাজবোৰৰ বিষয়ে প্রচাৰ মাধ্যমৰ জৰিয়তে সঠিকভাৱে প্রচাৰ কৰিব পাৰিলেহে উন্নয়নমূলক সংযোগৰ লক্ষ্য পূৰণ হ'ব। প্রচাৰ মাধ্যমৰ জৰিয়তে সঠিকভাৱে প্রচাৰ কৰিব পাৰিলেহে উন্নয়নমূলক সংযোগৰ লক্ষ্য পূৰণ হ'ব। প্রচাৰ মাধ্যমৰ জৰিয়তে হোৱা প্রচাৰে এনে কাম-কাজ সম্পর্কে বিপুলসংখ্যক জনগণক সজাগ কৰি তুলিব। এইখিনিতে মনত ৰাখি থোৱা ভাল যে প্রচাৰ মাধ্যম হ'ল ইতিবাচক অথবা নেতিবাচক সকলো প্রয়াসৰে শক্তি বহুগুণে বৃদ্ধি কৰিব পৰা এবিধ আহিলা।

কথাটো এটা উদাহৰণৰ সহায়ত বুজি লওঁ আহক। কেইবছৰমান আগৰ কথা। অসমৰ কোনো এখন জিলাৰ ক্ষুদ্র আদা খেতিয়ক কেইজনমানে একগোট হৈ আদা বিক্রীৰ বাবে এটা সমবায়ভিত্তিক বিপণন এজেন্সী গঠন কৰাৰ খবৰে প্রচাৰ মাধ্যমৰ শিৰোনাম দখল কৰিছিল। এজেন্সীটোৰ লক্ষ্য আছিল মূল বজাৰত আদা বেচা-কিনা প্রক্রিয়াটোত মধ্যভোগীৰ প্রবঞ্চনা প্রতিহত কৰা। আঁচনিখন ফলপ্রসূভাৱে ৰূপায়িত কৰা হৈছিল। জিলা উপায়ুক্তগৰাকীৰ সক্রিয় পৰিচালনাৰ ফলত খেতিয়কসকল অতি লাভৱান হৈছিল। সেই ধনৰ সহায়ত তেওঁলোকৰ জীৱন-নির্বাহৰ স্তৰ উন্নত হৈছিল। ইয়াৰ উপৰি কিবা এটা সফলতাৰে কৰিব পাৰিব বুলি তেওঁলোকৰ মনত জন্ম হোৱা আত্মবিশ্বাসৰ প্রভাৱ আছিল সমগ্র ঘটনাটোৰ ইতিবাচক পৰিসমাপ্তি।

এতিয়া, এনে ধৰণৰ সংবাদ এটা বিপুলসংখ্যক জনগণৰ কাষ চাপিব পাৰিলেহে ইয়াৰ সুফল সমগ্র ৰাইজে বুজি পাব। দেশ অথবা ৰাজ্যৰ এটা দূৰণিবটীয়া অঞ্চলৰ এমুঠিমান দৰিদ্র খেতিয়কে এনে এক সফলতা লাভ কৰাতো এটা শুভ লক্ষণ। যদি আমি এনে ধৰণৰ সংবাদবোৰ সমাজৰ সা-সুবিধাৰ পৰা বঞ্চিত, অশিক্ষিত লোকসকলৰ মাজত প্রচাৰ কৰিব পাৰো, তেন্তে ই বৃহত্তৰ সমাজৰ উপকাৰ সাধিবলৈ সক্ষম হ'ব।

যিমানবোৰ লোকে এই সফলতাৰ বিষয়ে জানিব তেওঁলোকেও উৎসাহিত হৈ প্রবল আত্মবিশ্বাসেৰে এনেধৰণৰ আঁচনি গ্রহণ কৰি পৰীক্ষা চলাবলৈ আগবাঢ়ি আহিব। এনেধৰণৰ লাভ আহৰণ কৰাই হ'ব তেওঁলোকৰো লক্ষ্য।

আন এটা উদাহৰণ লোৱা যাওক। কেইবছৰমানৰ আগতে অসমৰ এখন জিলাৰ প্রায় এশটামান আত্মসহায়ক গোটে (SHGs) একত্রিত হৈ এটা সমূহীয়া সংগঠন গঠন কৰিছিল। তাৰ পাছত তেওঁলোকে এটা ৰাষ্ট্রীয়কৃত বেংকৰ পৰা বৃহৎ পৰিমাণৰ ঋণ লৈছিল। এই আত্মসহায়ক গোটটোৰ ঋণৰ কিস্তি পৰিশোধ কৰাত ইমান নিয়মীয়া আছিল যে অনতিপলমে তেওঁলোক ঋণমুক্তও হৈছিল। তেওঁলোকৰ এই নিয়মানুৱর্তিতাত সন্তুষ্ট হৈ বেংক কর্তৃপক্ষই সংগঠনটোৰে নোখোজাকৈয়ে আৰু অধিক ধনৰ ঋণ আগবঢ়াইছিল।

অকল এয়াই নহয়, কেইবছৰমান আগৰ আন এটা বাতৰিয়েও সচেতন লোকৰ মনোযোগ আকর্ষণ কৰিছিল। কেৰালাৰ এটা গ্রামাঞ্চলৰ গাঁও পঞ্চায়ত এখনে এটা শীতল পানীয় বটলত

ভৰোৱাৰ কাম কৰা এটা বৃহৎ কোম্পানীৰ অনুজ্ঞাপত্ৰ সাময়িকভাৱে বাতিল কৰিবলৈ সক্ষম হৈছিল। কাৰণ কোম্পানীটোৱে প্ৰকৃত অনুজ্ঞা লাভ কৰাতকৈ বহু অধিক পৰিমাণৰ জলসম্পদ ব্যৱহাৰ কৰিছিল। পাছত কোম্পানীটোৱে বিধিসন্মতভাৱে অনুমতি লাভ কৰাতকৈ অধিক পৰিমাণৰ ভূ-গৰ্ভস্থ পানী অপচয় নকৰে বুলি লিখিত প্ৰতিশ্ৰুতি প্ৰদান কৰিবলগীয়া হৈছিল।

এয়া হ'ল এখন গাঁও অথবা অঞ্চল এটাৰ গঞা বাসিন্দাই এটা বৃহৎ বহুজাতিক কোম্পানীৰ বিৰুদ্ধে মাৰ বান্ধি থিয় দি বিজয়ী হোৱাৰ কাহিনী। এই ঘটনাটো এনে বহু সমস্যা অথবা বিষয়ক লৈ যুঁজি থকা দেশৰ যিকোনো প্ৰান্তৰ মানুহৰ বাবে অনুপ্ৰেৰণাদায়ক হ'ব পাৰে। এইবোৰেই হ'ল উন্নয়নমূলক সংবাদ। এনে সংবাদবোৰক গতানুগতিক ঘটনা অথবা সংবাদৰ বিষয়বস্তু কৰি লোৱা কথাৰ উৰ্দ্ধত ৰাখি সংবাদ মাধ্যমবোৰে প্ৰচাৰ কৰা উচিত।

যদি এনে উন্নয়নমূলক সংবাদবোৰ ৰাজ্যিক অথবা ৰাষ্ট্ৰীয় সংবাদ মাধ্যমবোৰত বাৰে বাৰে দেখুৱাই থকা হয়, তেন্তে বহুতো লোক উৎসাহিত হ'ব আৰু এনে পৰীক্ষামূলক প্ৰচেষ্টা চলাবলৈ আত্মবিশ্বাসী হৈ উঠিব। উল্লিখিত কথাবোৰৰ বাবেই আমি অন্য সংবাদৰ সলনি প্ৰচাৰ মাধ্যমযোগে এনেবোৰ সংবাদ প্ৰচাৰ কৰাটোক অগ্ৰাধিকাৰ দিব লাগে। সমাজৰ বৃহত্তৰ স্বাৰ্থৰ খাতিৰত অধিকাংশ লোক লাভৱান হ'ব পৰা এনে ধৰণৰ উন্নয়নমূলক পৰীক্ষা-নিৰীক্ষা আৰু উদাহৰণৰ বিষয়ে প্ৰচাৰ মাধ্যমে বাৰে বাৰে প্ৰচাৰ কৰা উচিত।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ উন্নয়নমূলক সংবাদ প্ৰস্তুতকৰণ মানে কি?

.....

.....

.....

প্ৰশ্ন নং ২ ঃ প্ৰচাৰ মাধ্যমৰ জৰিয়তে উন্নয়নৰ সৈতে জড়িত ঘটনাবোৰ প্ৰচাৰ কৰাটো কিয় জৰুৰী?

.....

.....

৮.৪ উন্নয়নমূলক সংবাদ প্ৰস্তুতকৰণৰ সাম্প্ৰতিক ধাৰা

বৰ্তমান বহুতো লোক উন্নয়নমূলক সংযোগ অথবা সংবাদ প্ৰস্তুতকৰণৰ বিভিন্ন কাম-কাজৰ সৈতে জড়িত। বিভিন্ন সাংবাদিক, স্বেচ্ছাসেৱী সংগঠন অথবা এজেন্সী আদি সাংবাদিকতা তথা প্ৰচাৰ মাধ্যম ক্ষেত্ৰখনৰ বিভিন্ন দিশত ব্যস্ত হৈ আছে আৰু ক্ষেত্ৰখনৰ বাবে নিজ নিজ অৱিহণা আগবঢ়াই আছে। তথাপিও কিন্তু উন্নয়নমূলক সংবাদ প্ৰস্তুতকৰণৰ বিষয়টোৱে এতিয়াও ভবাৰ দৰে গা কৰি উঠিব পৰা নাই।

সাম্প্রতিক সময়ৰ অধিকাংশ বাতৰিকাকত, আলোচনী, টিভি আৰু ৰেডিঅ' চেনেল অথবা প্রচাৰ মাধ্যম আহিলাই হ'ল ব্যক্তিগত খণ্ডৰ অধীন। আমি সকলোৱে জানো যে ব্যক্তিগত উদ্যোগ প্রতিষ্ঠানসমূহৰ প্রধান লক্ষ্য হ'ল সর্বোচ্চ লাভ আহৰণ কৰা। সেয়েহে এনে ধৰণৰ সংবাদ অথবা কাহিনীৰ প্রতি আমাৰ প্রচাৰ মাধ্যমৰ কিয় আগ্রহ কম সেই কথা বুজাত কাৰো অসুবিধা নহয়। অৱশ্যে চৰকাৰী আৰু স্বেচ্ছাসেৱী খণ্ডত এনে কেইবাটাও উৎসর্গিত প্রচাৰ মাধ্যম প্রতিষ্ঠান আছে যিবোৰে সম্ভৱপৰ সকলো ধৰণে উন্নয়নমূলক সংবাদ প্রস্তুতকৰণৰ পৃষ্ঠপোষকতা কৰি আহিছে।

মূলসূঁতিৰ বাণিজ্যিক প্রচাৰ মাধ্যমবোৰৰ বাবে স্বাভাৱিকতে উন্নয়নমূলক সংবাদ প্রস্তুতকৰণৰ বিষয়টো অগ্রাধিকাৰপ্রাপ্ত বিষয় হ'ব নোৱাৰে। এনে মাধ্যমত যেতিয়া তেনেধৰণৰ কাহিনী প্রচাৰিত হয় তেতিয়া তাক গতানুগতিক সংবাদ বুলি নকৈ ব্যক্তিক্রম আখ্যা দিয়া হয়। কোনো ধৰণৰ মুখৰোচক তথ্য নথকা এনে কাহিনীবোৰে সাধাৰণতে জনপ্রিয়তা অর্জন কৰিব নোৱাৰে। অর্থাৎ অন্য সংবাদে কৰাৰ দৰে এনে সংবাদে দর্শকক আকর্ষণ কৰিব নোৱাৰে।

উদাহৰণস্বৰূপে আপোনালোকৰ মাজৰ কিমানজনে চৰকাৰ সমর্থিত প্রতিষ্ঠান হিন্দুস্থান এৰ'ন'টিক্‌ছ লিমিটেডে (HAL) তৈয়াৰ কৰি থকা বিমানৰ মডেলটোৰ বিকাশ স্তৰ বিশদভাৱে জানিবলৈ আগ্রহী অথবা কিমানজনে প্রধান যুদ্ধ টেংক অর্জুনৰ সম্পূর্ণ ভাৰতীয় প্রচেষ্টাত হোৱা বিকাশ সম্পর্কে জানিব খোজে? আনহাতে, কিছুদিনৰ আগতে বলিউডৰ দুগৰাকী প্রখ্যাত অভিনেত্রী-অভিনেত্রী বিয়াৰ আগে-পাছে সমগ্র ঘটনাৱলী প্রচাৰ মাধ্যমে কেনেদৰে প্রচাৰ কৰিছিল সেয়া নিশ্চয় আপোনাৰ মনত আছে। একেদৰে ব্রিটেইনৰ ভাবী ৰজা আৰু তেওঁৰ মহিলা বান্ধৱী বিষয়ক সংবাদবোৰৰ বিভিন্ন দিশ কেনেদৰে প্রচাৰ মাধ্যমে পৰিবেশন কৰে সেই সম্পর্কে আমি আটায়ে অৱগত।

কিন্তু ইয়াৰ বিপৰীতে নিচেই কমসংখ্যক বাতৰি-কাকত, আলোচনী আৰু বৈদ্যুতিক প্রচাৰ চেনেলে দীর্ঘম্যাদী লক্ষ্যত উপনীত হোৱাৰ মানসেৰে উন্নয়নমূলক সংবাদ প্রস্তুতকৰণক জনগণৰ মাজত জনপ্রিয় কৰি তুলিবলৈ যথাসম্ভৱ প্রয়াস কৰি আছে। এইখিনিতে উল্লেখ কৰিব পাৰি যে অসমৰ কার্বি আংলং জিলাৰ আদা খেতিয়কসকলৰ কাহিনীটো 'দ্যা ফ্রণ্টলাইন' নামৰ বার্তালোচনীখনে প্রকাশ কৰিছিল। কেৱল এই বাতৰিটোৰেই নহয়, আলোচনীখনে নির্দ্ধাৰিত পটুৱৈৰ বাবে আকর্ষণীয় উন্নয়নমূলক ঘটনা প্রকাশ কৰে। একেদৰে 'দ্যা ইণ্ডিয়ান এক্সপ্রেছ' নামৰ কাকতখনেও নিয়মীয়াকৈ কিছুমান উন্নয়নমূলক বা-বাতৰি প্রকাশ কৰে। এই কাকতখনৰ প্রকাশকে আনকি সর্বশ্রেষ্ঠ তৃণমূল পর্যায়ৰ সংবাদ পৰিবেশন প্রচেষ্টাৰ বাবে এটা বিশেষ বঁটা আগবঢ়োৱাৰো দিহা কৰিছে।

কিন্তু এই আলোচনী আৰু বাতৰিকাকত দুখনৰ ভাষা ইংৰাজী হোৱা বাবে এনে কাহিনীবোৰ সেইসকল লোকে পঢ়িব নোৱাৰে যাৰ বাবে ইয়াৰ গুৰুত্ব সর্বাধিক। কিন্তু যদি এনে কাহিনীসমূহ ৰেডিঅ'ৰ যোগেদি প্রচাৰিত কৰা হয়, নাইবা কোনো স্বেচ্ছাসেৱী সংগঠনে মধ্যস্থতাকাৰী অথবা বার্তাবাহকৰ দ্বাৰা প্রচাৰ কৰে, তেন্তে প্রকৃতার্থত এনে তথ্যৰ প্রয়োজন হোৱা লোকসকল অধিক উপকৃত হ'ব।

এই বিষয়ত চেন্নাইস্থিত (পূর্বতে দিল্লীত) অগ্রণী স্বেচ্ছাসেৱী প্রতিষ্ঠান প্রেছ ইনষ্টিটিউট অৱ ইণ্ডিয়াই (PII) দীর্ঘদিন ধৰি 'গ্রাছৰুটছ্' (Grassroots) নামৰ এখন বার্তালোচনী (Journal) নিয়মীয়াকৈ প্রকাশ কৰি আহিছে। এই বার্তালোচনীখনত উন্নয়ন ক্ষেত্রখনৰ বিভিন্ন বা-বাতৰি প্রকাশ কৰা হয়। এইবোৰে অন্য লোককো এনেধৰণে চিন্তা কৰিবলৈ উদ্‌গনি যোগায়।

ইয়াৰ উপৰি, দেশৰ কেইখনমান বিশ্ববিদ্যালয়ে গ্রাম্য সাংবাদিকতা (Rural Journalism) আৰু গ্রামোন্নয়ন (Rural Development) বিষয়ক পাঠ্যক্রমৰ সুবিধাও আগবঢ়াবলৈ লৈছে। এনে পাঠ্যক্রমৰ এটা প্রধান অংশ হ'ল উন্নয়নমূলক সংবাদ প্রস্তুতকৰণ (Development Reporting)। কেন্দ্রীয় চৰকাৰৰ অধীনত হায়দৰাবাদত এটা কৃষি ব্যৱস্থাপনা আৰু উন্নয়ন প্রতিষ্ঠানো (Institute of Agriculture Management and Development) স্থাপন কৰা হৈছে। এই প্রতিষ্ঠানটোৱে কৃষিভিত্তিক সাংবাদিকতাৰ আনুষ্ঠানিক ডিপ্ল'মা পাঠ্যক্রম আগবঢ়ায়। এই আটাইবোৰেই হ'ল আশাপ্রদ লক্ষণ। এনেবোৰ কাম-কাজে উন্নয়নমূলক সংযোগৰ পৃষ্ঠপোষকতা কৰিব।

দিল্লীৰ জামিয়া মিলিয়া ইছলামিয়া বিশ্ববিদ্যালয়ৰ গণসংযোগ গৱেষণা কেন্দ্রই (MCRC) উন্নয়নমূলক সংযোগ বিষয়ক বিস্তৃত ডিপ্ল'মা পাঠ্যক্রম পৰিচালনা কৰি আহিছে। নতুন দিল্লীৰ ভাৰতীয় গণসংযোগ প্রতিষ্ঠানে (Indian Institute of Mass Communication) কর্মৰত সাংবাদিক, অনা-চৰকাৰী সংগঠনৰ (NGOs) কর্মী, ভাৰত আৰু বিদেশৰ চৰকাৰী চাকৰিয়ালসকলৰ বাবে এই বিষয়টোৰ এটা চাৰিমহীয়া ডিপ্ল'মা পাঠ্যক্রম আগবঢ়ায়। বিগত কেইবছৰমানত এই পাঠ্যক্রমবোৰে প্রভূত জনপ্রিয়তা অর্জন কৰিছে। লগতে পাঠ্যক্রমবোৰে সকলো ক্ষেত্রৰে ব্যক্তিৰ উন্নতি সাধনত নিজ নিজ অৰিহণা আগবঢ়াবলৈ সক্ষম হৈছে।

এইবোৰৰ লগতে ভাৰত চৰকাৰৰ বিজ্ঞান আৰু প্রযুক্তি মন্ত্রণালয়ৰ বিজ্ঞান আৰু প্রযুক্তিবিদ্যা সংযোগৰ ৰাষ্ট্রীয় পৰিষদে নিয়মীয়াকৈ জনগণক বৈজ্ঞানিক উদ্ভাৱন আৰু বিকাশৰ তথ্য জনাই আহিছে। মানুহৰ মাজত বিষয়টো সম্পর্কত সজাগতাৰ সৃষ্টি কৰিবলৈ পৰিষদে 'ইণ্ডিয়ান জার্নেল অৱ ছায়েন্স কমিউনিকেশ্যন' নামৰ এখন বার্তালোচনীও প্রকাশ কৰে।

এই ক্ষেত্রখনত কিছুমান অনা-চৰকাৰী সংগঠন তথা স্বেচ্ছাসেৱী সংযোগ প্রতিষ্ঠানে বিভিন্ন মনোযোগ আকর্ষণকাৰী কাম-কাজত ব্যস্ত হৈ আছে। উদাহৰণস্বৰূপে, উন্নয়নমূলক বিষয়ৰ অনুষ্ঠান প্রস্তুত তথা পৰিবেশন কৰিবলৈ তেওঁলোকে স্বেচ্ছাসেৱক সদস্য অথবা কর্মীসকলক দৃশ্য-শ্রব্য যন্ত্র-পাতি চলোৱাৰ প্রশিক্ষণ দিয়ে। এনে অনুষ্ঠানসমূহ স্থানীয় সমূহীয়া ৰেডিঅ'ৰ (Community Radio) যোগেদি প্রচাৰ কৰা হয় অথবা নির্ধাৰিত লোকসমাজক দিহা-পৰামর্শ দিবলৈ সীমিতসংখ্যক দর্শকক দেখুওৱা হয়।

যদিও এই সদস্য অথবা কর্মীসকলৰ এনে ধৰণৰ যন্ত্র-পাতি ব্যৱহাৰ কৰাৰ অথবা এনে কাম-কাজ পৰিচালনা কৰাৰ কোনো পূর্ব অভিজ্ঞতা নাথাকে, তথাপিও সামান্য প্রশিক্ষণ লৈয়েই তেওঁলোকে এই কাম যথেষ্ট পাৰদর্শিতাৰে সম্পন্ন কৰে। এয়া এক শুভ লক্ষণ। সেয়েহে আমি ধৰি ল'ব পাৰো যে বিভিন্ন সা-সুবিধাৰ পৰা বঞ্চিত অনগ্রসৰ সম্প্রদায়ৰ সদস্যসকলেও উন্নয়নমূলক

সংযোগৰ উত্তম বার্তাবাহকৰূপে কাম কৰিব পাৰে। এনে লোকসকল অশিক্ষিত আৰু দুখীয়া হ'ব পাৰে যদিও নিজ নিজ এলেকাৰ প্ৰকৃত অৱস্থা সম্পৰ্কে এওঁলোকৰ প্ৰত্যক্ষ জ্ঞান থাকে। সম্প্ৰদায় এটায়ো তেওঁলোকক নিজৰ পৰিয়ালৰ সদস্যৰ দৰে আঁকোৱালি লোৱাৰ সম্ভাৱনা থাকে বাবে এনেধৰণৰ সংযোগ প্ৰকৃতাৰ্থত অধিক ফলপ্ৰসূ হোৱাৰ থল থাকে।

এনেধৰণৰ সংযোগ স্থাপনকাৰীয়ে দৰাচলতে দ্বৈত ভূমিকা পালন কৰে। প্ৰথমটো হ'ল— সাংবাদিক অথবা প্ৰচাৰ মাধ্যমৰ সৈতে জড়িত লোক হিচাপে কোনো এটা সম্প্ৰদায়ৰ সমস্যা তথা অন্যান্য অসুবিধাসমূহ বিচাৰি উলিয়াই সেয়া প্ৰচাৰ মাধ্যমত সংবাদৰূপে উপস্থাপন কৰে। দ্বিতীয়তে উন্নয়নমূলক বার্তাৰ বাহক হিচাপে সম্প্ৰদায়ৰ সদস্যসকলৰ আগত বিভিন্ন তথ্য সদৰি কৰে। দেশৰ বিভিন্ন অঞ্চলত এই দ্বিমুখী প্ৰক্ৰিয়াটোৱে যথেষ্ট সফলতা লাভ কৰে। সমাজৰ উন্নয়ন আৰু উন্নয়নমূলক সংবাদ প্ৰস্তুতকৰণৰ ক্ষেত্ৰত ব্যস্ত হৈ থকা কিছুমান অনা-চৰকাৰী সংগঠন আৰু স্বেচ্ছাসেৱী অনুষ্ঠানে এই প্ৰক্ৰিয়াটো কাৰ্য ৰূপায়িত কৰি আছে।

এনে প্ৰয়াসবোৰ জনগণক অন্য প্ৰকাৰেও সহায় কৰে। এই কাম-কাজবোৰৰ পৰা লব্ধ তথ্যসমূহ একেখন ক্ষেত্ৰতে এনেধৰণৰ কাম-কাজত লিপ্ত একে ধৰণৰ অনুষ্ঠান-প্ৰতিষ্ঠানে ব্যৱহাৰ কৰিব পাৰে। অৰ্থাৎ, এটা দলে অৰ্জন কৰা অভিজ্ঞতাসমূহ এনেধৰণৰ অনুষ্ঠান-প্ৰতিষ্ঠানৰ মাজত আদান-প্ৰদান কৰি সকলোৱে সমানে উপকৃত হ'ব পাৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ঃ ভাৰতত উন্নয়নমূলক সংবাদ প্ৰস্তুতকৰণ কি পৰ্যায়ত আছে?

.....

.....

.....

.....

.....

প্ৰশ্ন নং ৪ ঃ খালী ঠাই পূৰণ কৰক—

ক) চেন্নাইস্থিত প্ৰেছইনষ্টিটিউট অৱ ইণ্ডিয়াই প্ৰকাশ কৰা বার্তালোচনীখনৰ নাম হ'ল .....।

খ) দিল্লীৰ জামিয়া মিলিয়া ইছলামিয়া বিশ্ববিদ্যালয়ৰ ..... ই উন্নয়নমূলক সংযোগ বিষয়ক এটা বিস্তৃত ডিপ্লমা পাঠ্যক্ৰম পৰিচালনা কৰি আহিছে।

গ) 'ইণ্ডিয়ান জার্নেল অৱ ছায়েন্স কমিউনিকেশ্যন' নামৰ বার্তালোচনীখন ..... প্ৰকাশ কৰে।



অনুশীলনী ৪.১

আপোনাৰ এলেকাত কর্মৰত অনুষ্ঠান-প্রতিষ্ঠান/সংগঠন অথবা প্রচাৰ মাধ্যম এজেন্সীবোৰৰ কাম-কাজবোৰ মনোযোগেৰে নিৰীক্ষণ কৰক। তেওঁলোকে কৰি থকা যিকোনো উন্নয়নমূলক কাম এটা বিচাৰি উলিওৱাৰ চেষ্টা কৰক। কামটোৰ বিষয়ে এটা সংবাদ প্রস্তুত কৰক আৰু প্রকাশৰ বাবে কোনো এখন বাতৰিকাকতলৈ প্রেৰণ কৰক।

.....

.....

.....

৮.৫ উন্নয়নমূলক সংযোগ বিষয়ক প্রাৰম্ভিক ভাৰতীয় পৰীক্ষা-নিৰীক্ষণ

ভাৰতে ১৯৭০ৰ দশকতে কৃত্রিম উপগ্রহভিত্তিক প্রযুক্তি ব্যৱহাৰ কৰি সুদূৰপ্রসাৰী লক্ষ্য আগত ৰাখি আৰু লাভৱান হোৱাৰ আশাৰে উন্নয়নমূলক সংযোগ ক্ষেত্রখনত দুটা অভিলাষী পৰীক্ষণ সম্পন্ন কৰিছে। তলত সেই পৰীক্ষণ দুটাৰ বিষয়ে আলোচনা কৰা হ'ল যাতে আপুনি আজিৰ পৰা তিনিটা দশকৰো আগতে তৃণমূল পর্যায়ত জনগণৰ মাজত তথ্য প্রচাৰ কৰাৰ ধাৰণাটো কেনেদৰে গঢ় লৈ উঠিছিল সেই বিষয়ে কিছু আভাস পাব পাৰে।

ছেটেলাইট ইন্সট্রাক্শ্যনেল টেলিভিছন এক্সপেৰিমেণ্ট (SITE) ঃ এই পৰীক্ষণটো সম্পন্ন কৰিবলৈ আমেৰিকাৰ এপ্লিকেশ্যন টেকন'ল'জী ছেটেলাইটৰ (ATS-6) সহায় লোৱা হৈছিল। ইয়াৰ সহায়ত বিশেষভাৱে প্রস্তুত কৰা অনুষ্ঠানসমূহ ১৯৭৬ চনত দেশৰ ছখন ৰাজ্যৰ নির্বাচিত গাঁৱৰ সমষ্টি কিছুমানত সম্প্রচাৰ কৰা হৈছিল। এই ৰাজ্য ছখন হ'ল— ৰাজস্থান, বিহাৰ, উৰিষ্যা, মধ্যপ্রদেশ, কর্ণাটক আৰু অন্ধ্রপ্রদেশ।

পৰীক্ষণকালত এই অনুষ্ঠানবোৰ উপভোগ কৰিবলৈ সেই গাঁওবোৰত কেইবাশও টিভি ছেটৰ যোগান ধৰা হৈছিল। এই টিভি ছেটবোৰ ৰাজহুৱা স্থানত ৰখা হৈছিল যাতে সম্প্রচাৰিত অনুষ্ঠানবোৰ সকলোৱে সময়মতে উপভোগ কৰিব পাৰে।

সম্প্রচাৰিত অনুষ্ঠানবোৰ শিক্ষামূলক আৰু নীতি-নির্দেশনামূলক আছিল। অনুষ্ঠানসূচীত শিশু অনুষ্ঠান, শিক্ষক প্রশিক্ষণ, কৃষিভিত্তিক দিহা-পৰামর্শ আদি সামৰি লোৱা হৈছিল। এই অনুষ্ঠানবোৰৰ লক্ষ্য আছিল গঞা আৰু দুখীয়া সম্প্রদায়বোৰক উপকৃত কৰা।

সমগ্র পৰীক্ষণটো উন্নয়ন শিক্ষা সংযোগ ইউনিটৰ (DECU) অধীনত ভাৰতীয় মহাকাশ গৱেষণা প্রতিষ্ঠান (ISRO) আৰু আহমেদাবাদৰ মহাকাশ প্রয়োগ কেন্দ্রৰ (SACA) যুটীয়া সহযোগত সম্পন্ন কৰা হৈছিল।

এই পৰীক্ষণটো ইমানেই অভিলাষী তথা উদ্ভাৱনমূলক আছিল যে ইয়াক 'বিশ্বৰ সর্ববৃহৎ সামাজিক প্রযুক্তিগত পৰীক্ষণ' আখ্যা দিয়া হৈছিল। প্রকল্পটোৰ কাম শেষ হোৱাৰ পাছত এটা প্রভাৱ অধ্যয়ন চলোৱা হৈছিল। অধ্যয়নৰ পৰা গম পোৱা গৈছিল যে সাধাৰণ মানুহক তৃণমূল পর্যায়ত আধুনিক যুগৰ গৱেষণালব্ধ তথ্য জনাই উপকৃত কৰিবলৈ কৃত্রিম উপগ্রহভিত্তিক প্রযুক্তিৰ প্রয়োগ কৰি পাব পৰা সফলতাৰ সম্ভাৱনীয়তা প্রচুৰ।

অন্য লব্ধ তথ্যবোৰৰ লগতে এটা কথা স্পষ্টভাৱে বুজা গৈছিল যে প্রকল্পটোৰ জৰিয়তে সমাজৰ তলখাপৰ বাসিন্দাসকলক অর্থবহ তথ্য আৰু শিক্ষামূলক দিহা-পৰামর্শ দি উপকৃত কৰিবলৈ চৰকাৰে এটা আন্তৰিক প্রচেষ্টা চলাইছিল। এই প্রচেষ্টাক বাস্তৱ ৰূপ দিবলৈ চৰকাৰে যিকোনো উপায়েৰে হ'লেও অত্যন্ত ব্যয়বহুল প্রযুক্তি ব্যৱহাৰ কৰিবলৈ দ্বিধাবোধ কৰা নাছিল।

খেড়া কমিউনিকেশ্যন প্র'জেক্ট প্রকল্প (KCP) ঃ গণ প্রচাৰ মাধ্যমৰ বিকেন্দ্রীকৰণৰ ধাৰণাটো পৰীক্ষা কৰি চাবলৈ এই প্রকল্পটোৰ পাতনি মেলা হৈছিল। পদ্ধতিটোৰ অধীনত গুজৰাটৰ খেড়া জিলাৰ গাঁও এখনত এটা কম ক্ষমতাসম্পন্ন টিভি ট্রান্সমিটাৰ বহুওৱা হৈছিল। ট্রান্সমিটাৰটোৰ আহমেদাবাদস্থিত মূল ষ্টুডিঅ' পৰিসৰৰ সৈতে সংযোগ স্থাপন কৰা হৈছিল। পৰীক্ষণটোৰ মতে জিলাখনৰ প্রায় চাৰিশখন গাঁৱত এই ট্রান্সমিটাৰটোৰ জৰিয়তে সম্প্রচাৰিত হোৱা অনুষ্ঠানসূচী দেখা পোৱাৰ ব্যৱস্থা কৰা হৈছিল। স্থানীয় অনুষ্ঠানসূচীৰ অধীনত প্রায় ডেৰঘণ্টীয়া অনুষ্ঠান সম্প্রচাৰিত কৰা হৈছিল।

প্রকল্পটোৱে যিমান পাৰি সিমান অধিক সংখ্যক গঞা দর্শক তথা সমূহীয়া দর্শকক আকৃষ্ট কৰাৰ প্রয়াস কৰিছিল। এই কথাটোলৈ মন দি অনুষ্ঠান তথা আন্তঃগাঁথনিমূলক সা-সুবিধাবোৰ প্রস্তুত কৰা হৈছিল। স্থানীয় কেন্দ্রত যুগুত কৰা আটাইবোৰ অনুষ্ঠানেই সামাজিক পৰিবর্তন তথা গ্রামোন্নয়নৰ ওপৰত আলোকপাত কৰা বিধৰ হ'ব লাগিছিল। এই কেন্দ্রটোত প্রস্তুত কৰা অধিকাংশ অনুষ্ঠানকেই বিশেষভাৱে গঠিত পর্যবেক্ষকৰ দল এটাই সম্প্রচাৰ কৰাৰ আগতে চাই ঠিক-থাক কৰি দিছিল। এই দলটোৱে সেউজ সংকেত দিয়া অনুষ্ঠানবোৰহে সম্প্রচাৰিত কৰা হৈছিল।

প্রকল্পটোত দর্শকৰ অংশগ্রহণক বিশেষ গুৰুত্ব দিয়া হৈছিল বাবে অনুষ্ঠান প্রস্তুত কৰাৰ আগতে বিষয়বস্তুৰ বিস্তৃত অধ্যয়নৰ ওপৰত বিশেষ জোৰ দিয়া হৈছিল। অধ্যয়ন কালত বিবেচনা কৰিবলগীয়া বিষয় কেইটামান আছিল— দর্শকৰ বিভিন্ন তথ্য গৱেষণা কৰা, নির্দ্ধাৰিত দর্শকগণৰ চাহিদাৰ মূল্যায়ন কৰা, পটকথা লেখন, অনুষ্ঠান পৰীক্ষাকৰণ, মতামত, মধ্যৱর্তী কাম-কাজসমূহ তথা সমগ্র পৰীক্ষণটোৰ চূড়ান্ত মূল্যায়ন।

উল্লিখিত দুয়োটা প্রকল্প অথবা পৰীক্ষণেই যথেষ্ট সফলতা লাভ কৰিছিল। মূল্যায়নৰ সময়ত বহুতো দিশৰ খুটি-নাতি ধৰা পৰিছিল যিবোৰৰ ভৱিষ্যতে সংশোধন ঘটাব পৰা গৈছিল। অৱশ্যে প্রকল্প দুটাৰ কাম পিচলৈ বন্ধ কৰা হৈছিল। তথাপি ক'ব পৰা যায় যে প্রকল্প দুটাৰ কাম অব্যাহত হৈ থাকিলে উন্নয়নমূলক সংযোগৰ ক্ষেত্রখনৰ আদর্শস্বৰূপ হৈ ৰ'ব পাৰিলেহেঁতেন। প্রকল্প দুটাৰ প্রয়োজনীয়তা আৰু গুৰুত্ব আজিও অনুভৱ কৰা হয়। সেয়েহে সাম্প্রতিক পৰিস্থিতিলৈ লক্ষ্য ৰাখি চৰকাৰ সমাজে পুনৰ উন্নয়নমূলক সংযোগৰ পৃষ্ঠপোষকতা কৰাৰ প্রচেষ্টা হাতত

লৈছে।

প্রকল্প দুটা পুনৰুজ্জীৱিত কৰি তুলিবলৈ সঠিক প্রচাৰ চলালে লাভৱান হ'ব পৰা যাব। জনসাধাৰণে নিৰক্ষৰতা, দৰিদ্রতা আদিৰ দৰে সামাজিক ব্যাধিৰ বিপক্ষে যুঁজিবলৈ একেধৰণৰ পৰীক্ষা-নিৰীক্ষা চলোৱাৰ দাবী উত্থাপন কৰিব বুলি ভাবিব পাৰি।

সপ্ত পঞ্চবার্ষিক পৰিকল্পনাৰ সময়ত অল ইণ্ডিয়া ৰেডিঅ'ই কেন্দ্রীয় শিক্ষা পৰিকল্পনা গোট (Central Education Planning Unit/CEPU) নামৰ ইউনিট এটা গঠন কৰিছিল। এই ইউনিটটোৰ দায়িত্ব আছিল জনসাধাৰণ, বিশেষকৈ সৰু ল'ৰা-ছোৱালীৰ বাবে পর্যাপ্ত সংখ্যক শিক্ষামূলক অনুষ্ঠানৰ আঁচনি যুগুত তথা প্রচাৰ কৰা। এই বিশেষ অনুষ্ঠানবোৰৰ অধিকাংশই স্থানীয়ভাৱে তথা ৰাষ্ট্রীয়ভাৱে প্রচাৰিত কৰা হৈছিল। ইয়াৰ উদ্দেশ্য আছিল যিমান পাৰি সিমান অধিক সংখ্যক শ্রোতাৰ কাষ চপা।

উন্নয়নমূলক বার্তাবাহকসকলৰ অনুষ্ঠান, প্রতিষ্ঠান, সংগঠন অথবা গাইগুটীয়া বার্তাবাহক যিয়েই নহওক কিয় এটা প্রধান সমস্যা হ'ল, জনসাধাৰণৰ বাবে উন্নয়নমূলক সংবাদবোৰ অধিক আকর্ষণীয় কৰি তুলিব পৰা নাযায়। সেয়েহে নিচেই কমসংখ্যক পাঠকেহে এনে সংবাদ পঢ়ে আৰু সাধাৰণতে পাঠকে এনে সংবাদৰ প্রতি কোনো আগ্রহ নেদেখুৱায়। এই ক্ষেত্রখনৰ সৈতে জড়িত লোকসকলে কথাটো দ'কৈ ভাবি চোৱা উচিত যাতে ভৱিষ্যতে বিষয়টো অধিক জনপ্রিয় কৰি তোলাৰ উপায় বিচাৰি উলিয়াব পৰা যায়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ 'ছাইট' (SITE) পৰীক্ষণটো সম্পন্ন কৰাত সহায় আগবঢ়োৱা কৃত্রিম উপগ্রহটোৰ নাম হ'ল .....।

প্রশ্ন নং ৬ ঃ 'ছাইট' পৰীক্ষণটোৰ বাবে বাছি লোৱা ৰাজ্যকেইখনৰ নাম কি?

.....

প্রশ্ন নং ৭ ঃ কোনটো পৰীক্ষণক 'বিশ্বৰ সর্ববৃহৎ সামাজিক প্রযুক্তিগত পৰীক্ষণ' আখ্যা দিয়া হৈছিল?

.....

প্রশ্ন নং ৮ ঃ খেড়া কমিউনিকেশ্যন প্র'জেক্ট/প্রকল্পৰ লক্ষ্য কি আছিল?

.....

প্রশ্ন নং ৯ ঃ জনসাধাৰণ, বিশেষকৈ সৰু ল'ৰা-ছোৱালীৰ বাবে পর্যাপ্ত সংখ্যক শিক্ষামূলক অনুষ্ঠানৰ পৰিকল্পনা তথা তেনে অনুষ্ঠানবোৰ প্রচাৰ কৰিবলৈ গঠন কৰা অল ইণ্ডিয়া ৰেডিঅ'ৰ ইউনিটটোৰ নাম কি?

.....

জানি থোৱা ভাল



ভাৰতত উন্নয়নমূলক সংযোগৰ লক্ষ্যত পৃষ্ঠপোষকতা কৰিবলৈ তেনে কোনো উপযুক্ত নীতি নাই। অল ইণ্ডিয়া ৰেডিঅ' (AIR) আৰু দূৰদৰ্শনৰ (DD) কেইটামান নির্দ্ধাৰিত অনুষ্ঠানৰ বাহিৰে স্বেচ্ছাসেৰী তথা ব্যক্তিগত খণ্ডই চলোৱা প্ৰতিটো প্ৰয়াস আৰু কাৰ্যই দৰাচলতে ব্যক্তিগত আগ্ৰহৰ ফল।

দেশত উন্নয়নমূলক সংযোগৰ পৃষ্ঠপোষকতা কৰাৰ অতীব প্ৰয়োজনীয়তা থকা সত্ত্বেও এতিয়ালৈকে এই ক্ষেত্ৰখনত চলা অধিকাংশ প্ৰচেষ্টাৰে ভিত্তি হ'ল স্বেচ্ছামূলক আগ্ৰহ। সেয়েহে যথার্থ চাহিদাতকৈ উন্নয়নমূলক সংযোগৰ স্তৰ এতিয়াও চালুকীয়া পর্যায়তে আছে বুলি ক'ব পাৰি।

দেশৰ সাধাৰণ অৱস্থালৈ লক্ষ্য কৰি কোনোবাই ইয়াত উন্নয়নমূলক সংযোগৰ প্ৰয়োজনীয়তা ক'ত বুলি প্ৰশ্ন কৰিব পাৰে। দেশৰ অধিকাংশ বাসিন্দাই নিৰক্ষৰ, প্ৰয়োজনীয় সা-সুবিধাৰ পৰা বঞ্চিত আৰু দৰিদ্ৰ ৰেখাৰ তলত বাস কৰা লোক। ৰাজ্যিক কর্তৃপক্ষবোৰে অধিকাংশ নাগৰিককে আনুষ্ঠানিক শিক্ষাৰ সা-সুবিধা আগবঢ়াব পৰা নাই। এনে অৱস্থাত উন্নয়নমূলক সংযোগ আৰু উন্নয়নমূলক ঘটনা তথা প্ৰচেষ্টাবোৰৰ বিষয়ে সংবাদ প্ৰস্তুত কৰাটোৱেই হ'ল জনসাধাৰণ শিক্ষিত কৰি তোলাৰ সবাতোকৈ উপযুক্ত আৰু ফলপ্ৰসূ পন্থা। উন্নয়নমূলক সংযোগৰ অর্থ কি? ই গণ শিক্ষাৰ (mass education) এটা ৰূপ। ই মানুহক 'চিন্তাশীল ব্যক্তিত্বত' (Thinking human beings) পৰিণত কৰে। ফলত সকলো লোকেই শিক্ষিত লোকৰ সৈতে সমানে দেশৰ প্ৰগতিত নিজ অৱদান আগবঢ়োৱাৰ সুযোগ লাভ কৰে।



৮.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- উন্নয়নৰ বিষয়ে সজাগ হোৱাটোৱেই শেষ কথা নহয়। উন্নয়নমূলক ঘটনাবোৰ প্ৰচাৰ মাধ্যমত সঠিক ৰূপত সংবাদ হিচাপে পৰিবেশন কৰাটোৱে হ'ল উন্নয়নমূলক সংযোগৰ লক্ষ্য।
- যদি উন্নয়নমূলক সংবাদবোৰ ৰাষ্ট্ৰীয় অথবা ৰাজ্যিক পর্যায়ত প্ৰচাৰ মাধ্যমবোৰৰ জৰিয়তে বাৰে বাৰে প্ৰচাৰ কৰি থকা হয় তেন্তে অধিক উৎসাহিত তথা আত্মবিশ্বাসী হ'ব আৰু একে ধৰণৰ পৰীক্ষণ কৰি চাবলৈ আগবাঢ়ি আহিব।
- বহুতো মানুহ উন্নয়নমূলক সংযোগ অথবা সংবাদ প্ৰস্তুতকৰণৰ কাম-কাজত জড়িত হৈ আছে। তথাপি এতিয়ালৈকে উন্নয়নমূলক সংবাদ প্ৰস্তুতকৰণৰ মূল লক্ষ্যত উপনীত হ'বলৈ আৰু বহুদূৰ বাট আগবাঢ়িবলৈ বাকী আছে।

- মূলসূঁতিৰ বাণিজ্যিক প্রচাৰ মাধ্যমবোৰত কিছুমান স্পষ্ট কাৰণতে উন্নয়নমূলক সংবাদ প্রস্তুতকৰণৰ বিষয়টোৱে অগ্রাধিকাৰ লাভ নকৰে। এনে মাধ্যমত উন্নয়নমূলক সংবাদে স্থান পোৱাটো এটা বিশেষ ঘটনাহে, গতানুগতিক ঘটনা নহয়। ইয়াৰ কাৰণ হ'ল এনে ঘটনাবোৰ সাধাৰণতে জনপ্রিয় নহয়। ইয়াত কোনো ৰোমাঞ্চক উপাদান নাথাকে। সেয়েহে অন্য সংবাদৰ দৰে ই দর্শকক আকৃষ্ট কৰিব নোৱাৰে।
- তথাপিও দীর্ঘম্যাদী লক্ষ্যত উপনীত হোৱাৰ মানসেৰে জনগণৰ মাজত উন্নয়নমূলক সংবাদ প্রস্তুতকৰণৰ বিষয়টো জনপ্রিয় কৰি তুলিবলৈ কেইখনমান বাতৰিকাক, আলোচনী আৰু কেইটামান বৈদ্যুতিক প্রচাৰ মাধ্যম চেনেলে সম্ভৱপৰ সম্ভৱপৰ সকলো প্রচেষ্টা চলাই আছে।
- চেন্নাইস্থিত (পূর্বতে দিল্লী) অগ্রণী স্বেচ্ছাসেৱী সংগঠন প্রেছ ইন্সটিটিউট অৱ ইণ্ডিয়াই (PII) দীর্ঘদিন ধৰি উন্নয়নমূলক সংবাদ সম্বলিত বার্তালোচনী 'গ্রাছৰুটছ্' প্রকাশ কৰি আহিছে।
- দিল্লীৰ জামিয়া মিলিয়া ইছলামিয়া বিশ্ববিদ্যালয়ৰ গণসংযোগ গৱেষণা কেন্দ্রই (MCRC) উন্নয়নমূলক সংযোগ বিষয়ক বিস্তৃত ডিপ্ল'মা পাঠ্যক্রম এটা পৰিচালনা কৰি আছে।
- ভাৰত চৰকাৰৰ বিজ্ঞান আৰু প্রযুক্তি মন্ত্রণালয়ৰ অধীনস্থ বিজ্ঞান আৰু প্রযুক্তি সংযোগৰ ৰাষ্ট্রীয় পৰিষদে নিয়মীয়াকৈ জনগণৰ মাজত শেহতীয়া বৈজ্ঞানিক উদ্ভাৱন তথা বিকাশৰ বা-বাতৰি প্রচাৰৰ দ্বাৰা উন্নয়নমূলক সংযোগৰ পৃষ্ঠপোষকতা কৰি আহিছে।
- আমাৰ দেশে ১৯৭০ৰ দশকতে কৃত্রিম উপগ্রহভিত্তিক প্রযুক্তি ব্যৱহাৰ কৰি সুদূৰপ্রসাৰী লক্ষ্য আগত ৰাখি আৰু লাভৱান হোৱাৰ আশাৰে উন্নয়নমূলক সংযোগ ক্ষেত্রখনত দুটা অভিলাষী পৰীক্ষণ সম্পন্ন কৰিছে। পৰীক্ষণ দুটা হ'ল— ছেটেলাইট ইন্সষ্ট্রাক্শ্যনেল টেলিভিছন এক্সপেৰিমেণ্ট (SITE)আৰু খেড়া কমিউনিকেশ্যন প্র'জেক্ট (KCP)।



৮.৭ অধিক জানিবলৈ

ইংৰাজী গ্রন্থ ঃ

1) Gupta and Aggarwal (1996), *Media Policy and Nation Building– Select Issues and Themes,* Concept Publishers, New Delhi.
2) Joshi, Uma (1997), *A Strategy for Environment Education– Vital for Sustainable Development. Proceedings of National Conference on Dimensions of Environmental Stress in India,* Geology Dept., MS University, Baroda.

3) Schramm, Wilbur (1964), *The Role of Information in National Development,* Stanford University Press.

4) Servaes, Jacobson, White (Edited-1996), *Participatory Communication for Social Change,* Sage Publications, New Delhi.

5) Singhal, Doshi, Rogers and Rahman (1989), *The Diffusion of Television in India,* Vidura– May-June issue, Page 222-228.

৮.৮ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ উন্নয়নমূলক সংবাদ প্রস্তুতকৰণ মানে হ'ল উন্নয়নৰ সৈতে জড়িত বিভিন্ন বিষয়ৰ সংবাদ যুগুত কৰা। উন্নয়নমূলক সংবাদ মানে কেৱল উন্নয়নৰ বা-বাতৰি যোগান ধৰাকে নুবুজায়, উন্নয়নৰ অভাৱত সৃষ্টি হোৱা সমস্যাবোৰৰ কথা প্রকাশ কৰাটোও ইয়াৰ অংশ।

২নং প্রশ্নৰ উত্তৰ ঃ প্রচাৰ মাধ্যমৰ জৰিয়তে উন্নয়নৰ সৈতে জড়িত ঘটনাসমূহ প্রচাৰ কৰাটো জৰুৰী। তেতিয়াহে অগণন লোকে এইবোৰ ঘটনাৰ বিষয়ে জানিব পাৰিব তথা উৎসাহিত আৰু উপকৃত হ'ব পাৰিব।

৩নং প্রশ্নৰ উত্তৰ ঃ আমাৰ দেশত উন্নয়নমূলক সংবাদ প্রস্তুতকৰণৰ বিষয়টোৱে এতিয়াও উৎসাহজনকভাৱে গা কৰি উঠিব পৰা নাই। চৰকাৰ সমর্থিত প্রচাৰ মাধ্যম প্রতিষ্ঠানবোৰে এইক্ষেত্রত অৱশ্যে কিছুমান প্রচেষ্টা চলাই আছে। বহুতো অনা-চৰকাৰী সংগঠন আৰু স্বেচ্ছাসেৱী অনুষ্ঠান-প্রতিষ্ঠান এই ক্ষেত্রখনৰ সৈতে সক্রিয়ভাৱে জড়িত হৈ আছে। তেওঁলোকৰ কিছুমান প্রয়াস তথা বাটকটীয়া প্রচেষ্টা প্রশংসনীয়। তথাপিও সামগ্রিকভাৱে ছবিখন বৰ আশাব্যঞ্জক নহয়। অৱশ্যে শেহতীয়াভাৱে সমাজত এই ক্ষেত্রখনৰ গুৰুত্ব সম্পর্কে কিছু সজাগতা সৃষ্টি হৈছে। আগতকৈ অধিক ব্যক্তি তথা সংগঠন উন্নয়নমূলক সংবাদ প্রস্তুতকৰণ ক্ষেত্রখনৰ প্রত্যাহ্বানবোৰ গ্রহণ কৰিবলৈ আগবাঢ়ি অহা পৰিলক্ষিত হৈছে। তেওঁলোকে জনগণৰ মাজত অর্থপূর্ণ উন্নয়নমূলক তথ্য প্রচাৰ কৰাৰ প্রয়াস কৰিছে।

৪নং প্রশ্নৰ উত্তৰ ঃ ক) গ্রাছৰুটছ্ (Grassroots), খ) গণসংযোগ গৱেষণা কেন্দ্র (Mass Communication Research Centre/MCRC), গ) এন চি এছ টি চি (NCSTC)।

৫নং প্রশ্নৰ উত্তৰ ঃ এপ্লিকেশ্যন টেকন'ল'জী ছেটেলাইট (ATS-6)।

৬নং প্রশ্নৰ উত্তৰ ঃ ৰাজস্থান, বিহাৰ, উৰিষ্যা, মধ্যপ্রদেশ, কর্ণাটক আৰু অন্ধ্রপ্রদেশ।

৭নং প্রশ্নৰ উত্তৰ ঃ 'ছাইট'ক (SITE)।

৮নং প্রশ্নৰ উত্তৰ ঃ খেড়া কমিউনিকেশ্যন প্র'জেক্টৰ (KCP) লক্ষ্য আছিল গণপ্রচাৰ মাধ্যমৰ বিকেন্দ্রীকৰণৰ ধাৰণাটোক লৈ পৰীক্ষণ সম্পন্ন কৰা।

৯নং প্রশ্নৰ উত্তৰ ঃ কেন্দ্রীয় শিক্ষা পৰিকল্পনা গোট (CEPU)।



৮.৯ আৰ্হি প্রশ্ন

ক) অতি চমু প্রশ্ন (প্রায় ৫০টা শব্দত উত্তৰ দিয়ক)

১) এন চি এচ টি ছিয়ে প্রকাশ কৰা বার্তালোচনীখনৰ নাম কি?

২) SITE কেতিয়া সম্পন্ন কৰা হৈছিল?

৩) খেড়া প্রকল্পৰ লক্ষ্য কি আছিল?

খ) চমু প্রশ্ন (প্রায় ১৫০টা শব্দত উত্তৰ দিয়ক)

১) উন্নয়নমূলক সংবাদ প্রস্তুতকৰণৰ সাম্প্রতিক ধাৰাৰ বিষয়ে চমুকৈ লিখক।

২) উন্নয়নমূলক সংবাদ প্রস্তুতকৰণে জনসাধাৰণৰ মাজত তথ্যৰ সৰবৰাহৰ ক্ষেত্রত সহায় কৰিব নেকি? আপোনাৰ যুক্তি উদাহৰণসহ আগবঢ়াওক।

গ) দীঘল প্রশ্ন (প্রায় ৩০০-৫০০শব্দত উত্তৰ দিয়ক)

১)ভাৰতত উন্নয়ন সংবাদ প্রস্তুকৰণৰ বিষয়ে চমু বর্ণনা দিয়ক।

২) সাম্প্রতিক সময়ত SITE বা খেড়াৰ দৰে সংযোগ প্রকল্পৰ কোনো প্রাসংগিকতা আছে নে?

৩) আমাৰ দেশত উন্নত সংবাদ প্রস্তুকৰণ প্রক্রিয়াৰ উদ্‌গতিৰ কাৰণে কিছু পন্থাৰ বিষয়ে লিখক।

*** ***** ***